# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** তাং- ৩০/১১/২০১৯

## কাৰ্য্যবিৱৰণী

আজি ইং ৩০/১১/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে নৱনিযুক্ত ন্যায়িক বিষয়া শ্ৰীমতী জয়া শৰ্মাক মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ লগত চিনাকি কৰি দিয়ে। Bench সহায়কসকলক দৈনন্দিন কাম কাজ আৰম্ভ হোৱাৰ আগতে সংশ্লিষ্ট ন্যায়িক বিষয়াসকলক দিনটোৰ হ'বলগীয়া কামৰ খতিয়ান আগবঢ়াবলৈ জনায়। লগতে Judgment upload সঠিকমতে কৰা আৰু CIS ত Order upload কৰাৰ বিষয়ে আলোচনা কৰা হয়।

PSI ক'টৰ বিষয়াক Chargesheet ত উল্লেখিত সমূহ নথিপত্ৰ সংলগ্ন হৈ আছে নাই ভালদৰে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ কৰে। লগতে মাহেকীয়া হিচাপত কিমান Chargesheet দাখিল হ'ল তাৰ তথ্য জনাবলৈ কোৱা হয়। GR বিভাগৰ সহায়কক তৎকালীন কামসমূহৰ বাহিৰে অন্যান্য কামসমূহ মূখ্য ন্যায়িক দণ্ডাধীশৰ ওচৰত এক নিৰ্দিষ্ট সময়ত Put up কৰিবলৈ জনায়।

Issue & Receipt ৰ সহায়কক বন্ধ খামত অহা পত্ৰসমূহ মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ক নেদেখুওৱাকৈ খুলিবলৈ বাৰণ কৰা হয়। লগতে সাপ্তাহিক ভাৱে Register সমূহ, বিশেষকৈ Postal Stamp Register মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ক প্ৰদৰ্শন কৰাবলৈ নিৰ্দেশ কৰে। ইয়াৰ ওপৰিও Folio Copy Assistant ক আদালতৰ চহী নথকা নথিপত্ৰৰ প্ৰতিলিপি প্ৰদান নকৰিবলৈ জনায়।

দীঘলীয়া ছুটী লোৱাৰ ক্ষেত্ৰত ছুটীৰ নিৰ্ধাৰিত তাৰিখৰ নূন্যতম ১৫ দিনৰ আগতে আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে আৰু ছুটী অনুমোদন হোৱাৰ পাছতহে কৰ্মচাৰীসকলৰ বাবে ছুটী উপলভ্য হ'ব বুলি জনায়। লগতে Bill Assistant ক অনুমোদন হোৱা ছুটীৰ ক্ষেত্ৰতহে যাৱতীয় কাম সমূহ কৰিবলৈ নিৰ্দেশ কৰে। ইয়াৰ পাছতে কাৰ্যালয়ৰ অন্যান্য শিতানত আলোচনা কৰা হয় আৰু জলযোগেৰে বৈঠকখনি সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰুপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰাহুল মেধি)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)